**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। সংসদত ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিলৰ পূৰ্বে কেন্দ্ৰীয় কেবিনেটে আজি বাজেটত অনুমোদন জনায়।

২। বিত্তমন্ত্ৰী নিমৰ্লা সীতাৰমনে কয় যে চৰকাৰৰ লক্ষ্য হৈছে অভিলাষক প্ৰাপ্তিলৈ আৰু সম্ভাৱনাক বাস্তৱলৈ ৰূপান্তৰিত কৰা।

৩। উত্তৰ পূৰ্বৰ ৰাজ্যসমূহত যাতায়ত অধিক সুচল কৰাৰ বাবে ৪ হাজাৰ ই-বাছৰ প্ৰস্তাৱ আজিৰ বাজেটত উত্থাপন কৰা হৈছে।

আৰু

৪। বিত্তমন্ত্ৰালয়ে অসম, অৰুণাচল প্ৰদেশ, চিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিত অনুমোদন জনাইছে।

0000000

সংসদত ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিলৰ পূৰ্বে কেন্দ্ৰীয় কেবিনেট সংসদ ভৱনত মিলিত হৈ বাজেটত অনুমোদন জনায়। এই বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধ্যক্ষতা কৰে। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি পুৱাৰ ভাগত ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। পৰম্পৰা অনুসৰি ৰাষ্ট্ৰপতিগৰাকীয়ে বিত্তমন্ত্ৰীগৰাকীক দৈ, চেনি যাঁচি শুভেচ্ছা জনায়। বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰী তথা মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলো অনুষ্ঠানত উপস্থিত থাকে৷ উল্লেখযোগ্য যে লোকসভাত বাজেট উত্থাপনৰ পাছত বাজেটৰ প্ৰতিলিপি ৰাজ্যসভাতো উত্থাপন কৰা হয়। এইয়া হৈছে নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ বাজেট। তদুপৰি ২০১৯ চনৰ পৰা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এইবেলি নৱম বাৰৰ বাবে বাজেট দাখিল কৰিছে। বাজেট ভাষণৰ পাছত কেন্দ্ৰীয় বাজেটৰ মোবাইল এপ তথা ৱেবছাইটত বাজেটখন উপলব্ধ হ'ব। বাজেট দাখিলৰ পাছত বিত্তমন্ত্ৰীগৰাকীয়ে দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৩০ গৰাকী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে ২৮ জানুৱাৰীত আৰম্ভ হোৱা বাজেট অধিৱেশন অহা ২ এপ্ৰিললৈ চলিব।

00000000

বিত্ত নিৰ্মলা সীতাৰমনে আজি সংসদত ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিল কৰিছে। এই বাজেটত প্ৰগতি, স্থিৰতা আৰু দেশৰ সামগ্ৰিক উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। সংসদত বাজেট দাখিল কৰি বিত্তমন্ত্ৰী নিৰ্মা সীতাৰমনে কয় যে চৰকাৰৰ লক্ষ্য হৈছে অভিলাষক প্ৰাপ্তিলৈ আৰু সম্ভাৱনাক বাস্তৱলৈ ৰূপান্তৰিত কৰা। চৰকাৰৰ প্ৰগতিমূলক আঁচনিসমূহে প্ৰতিগৰাকী কৃষক, অনুসূচিত জাতি আৰু জনজাতি, অঘৰী, যুৱচাম, দৰিদ্ৰ তথা মহিলাসকলক স্পৰ্শ কৰাটো চৰকাৰে সুনিশ্চিত কৰিব বিচাৰিছে। দেশে বাণিজ্য

আৰু মুলধনৰ প্ৰয়োজন সম্প্ৰসাৰিত কৰাৰ জৰিয়তে এখন আগশাৰীৰ অৰ্থনীতি হিচাপে পৰিগণিত হ'বলৈ বিকশিত ভাৰতৰ  লক্ষ্য আগত ৰাখিব। দীৰ্ঘম্যাদি তথা স্থায়ী বিনিয়োগ আকৰ্ষিত কৰি গোলকীয় বজাৰৰ সৈতে দেশ গভীৰভাৱে সংপৃক্ত হৈ থাকিব। বিত্তমন্ত্ৰীগৰাকীয়ে এইবেলি বাজেটত ৩ টা বিশেষ কৰ্তব্যৰ কথা উনুকিয়ায়। ইয়াৰে প্ৰথমটো হৈছে পৰিৱৰ্তনশীল গোলকীয় দিশসমূহৰ সৈতে সমতা ৰক্ষা কৰাৰ সমান্তৰালকৈ অৰ্থনৈতিক প্ৰগতি ত্বৰান্বিত কৰা। দ্বিতীয়টো হৈছে জনসাধাৰণৰ অভিলাস পূৰণ কৰাৰ লগতে তেওঁলোকৰ সামৰ্থ ত্বৰান্বিত কৰা আৰু তৃতীয়টো হৈছে প্ৰতিটো পৰিয়াল, সম্প্ৰদায়, ধৰ্ম তথা খণ্ডৰ লোকৰ বাবে সম্পদ, সুযোগ আৰু সুবিধা সমভাৱে উপলব্ধ কৰা। দেশক জৈৱ ভেষজ নিৰ্মাণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে বিত্তমন্ত্ৰীগৰাকীয়ে পৰৱৰ্তী ৫ বছৰত ১০  হাজাৰ কোটি টকা সাপেক্ষ **বায়'ফাৰ্মা শক্তি** শীৰ্ষক এখন আঁচনিৰ ঘোষণা কৰিছে। তদুপৰি দেশৰ  প্ৰযুক্তিগত প্ৰগতি, গৱেষণা, উন্নয়ন, খণ্ড তথা কৌশলগত দিশত নিৰ্মাণ ত্বৰান্বিত কৰাৰ বাবে বায়'ফাৰ্মা শক্তিৰ উপৰি ইণ্ডিয়া ছেমিকনডাক্টৰ মিছন ২ পইণ্ট জিৰো, বৈদ্যুতিক সা-সৰঞ্জাম নিৰ্মাণ, উড়িশা, কেৰালা, অন্ধপ্ৰদেশ, তামিলনাডুত বিশেষ ৰেয়াৰ আৰ্থ কৰিড'ৰ নিৰ্মাণ, ৩ খন বিশেষ ৰাসায়নিক উদ্যান আৰু ২০০ খন বিশেষ উদ্যোগিক ক্ষেত্ৰ পুনৰ নিৰ্মাণ কৰাৰ উদ্দেশ্যে বিশেষ পদক্ষেপৰ বিষয়ে ঘোষণা কৰিছে। ৫ লাখতকৈ অধিক জনসংখ্যা থকা দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ মহানগৰসমূহত আন্তঃগাথনি উন্নীত কৰাৰ উদ্দেশ্যে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি বাজেটত কাৰ্বন কেপচাৰ ইউটিলাইজেছন আৰু ষ্টৰেজ চি চি ইউ এছ্ প্ৰযুক্তি ক্ষেত্ৰতো ২০ হাজাৰ কোটি টকা ব্যয়ৰ প্ৰস্তাৱ উত্থাপন কৰা হৈছে। দেশৰ প্ৰগতিত ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ তথা মজলীয়া উদ্যোগসমূহৰ ভূমিকাক স্বীকাৰ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে এই উদ্যোগসমূহৰ বাবে বিশেষ সমৰ্থনৰ প্ৰস্তাৱ উত্থাপন কৰিছে। এই অনুসৰি ১০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ প্ৰগতি পুজি মুকলি কৰা হ'ব। আত্মনিৰ্ভৰ ভাৰত পুঁজিত ২ হাজাৰ কোটি টকা অতিৰিক্তভাৱে যোগ দিয়া হ'ব। সেৱা খণ্ডক বিকশিত ভাৰতৰ অন্যতম গুৰুত্বপূৰ্ণ খণ্ড হিচাপে পৰিগণিত কৰাৰ উদ্দেশ্যে পৰামৰ্শ দিবলৈ উচ্চ ক্ষমতা সম্পন্ন **শিক্ষাৰ পৰা নিয়োগ তথা উদ্যমিতা** স্থায়ী সমিতি গঠনৰ প্ৰস্তাৱ উত্থাপন কৰা হয়। বিত্তমন্ত্ৰীগৰাকীয়ে উচ্চ শিক্ষা খণ্ডৰ প্ৰগতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে নতুন শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়, ছাত্ৰী নিৱাস আদি স্থাপনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে। এই অনুসৰি দেশৰ পূৱ প্ৰান্তত নেচনেল ইনষ্টিটিউট অৱ ডিজাইন প্ৰতিষ্ঠা কৰা হ'ব। বিত্তমন্ত্ৰালয়ে লগতে অসম, অৰুণাচল প্ৰদেশ, চিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিত অনুমোদন জনাইছে।

ভাৰতৰ বৰ্ধিত এনিমেচন, ভিজুৱেল এফেক্ট, গেমিং আৰু কমিক উদ্যোগ খণ্ডত ২০৩০ চনৰ ভিতৰত ২০ লাখ দক্ষতা সম্পন্ন লোকৰ প্ৰয়োজন হ'ব। ইয়াৰ বাবে মুম্বাইত এখন ভাৰতীয় সৃষ্টিশীল প্ৰযুক্তিৰ প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাব দিয়াৰ লগতে ১৫ হাজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ৫০০ খন মহাবিদ্যালয়ত এনিমেচন, ভিজুৱেল এফেক্ট, গেমিং আৰু কমিক উদ্যোগৰ বাবে বিশেষ লেব  স্থাপন কৰা হ'ব। বাজেটত উত্তৰ পূৰ্বাঞ্চলত এখন নতুন ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে। উত্তৰ পূৰ্বৰ ৰাজ্যসমূহত যাতায়ত অধিক সুচল কৰাৰ বাবে ৪ হাজাৰ ই-বাছৰ প্ৰস্তাৱ আজিৰ বাজেটত দিয়া হৈছে। এই বাছসমূহ অৰুণাচল প্ৰদেশ, চিকিম, অসম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ক্ষেত্ৰত বিশেষভাৱে কাৰ্যকৰী হ'ব।

২০২৬-২৭ বিত্তীয় বৰ্ষত ৰাজ্যসমূহৰ গ্ৰাম্য আৰু নগৰীয়া স্থানীয় নিগম-নিকায় আৰু দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ বাবে বিত্ত আয়োগৰ পৰা ১ লাখ ৪০ হাজাৰ কোটি টকা প্ৰদান কৰা হ'ব। চলিত বিত্তীয় বৰ্ষ শেষ

হোৱাৰ পূৰ্বে চৰকাৰৰ বিভিন্ন সংস্থাৰ পৰা জাহাজেৰে মাল বস্তু মসৃনভাৱে প্ৰেৰণৰ বাবে এটা একক আৰু বিভিন্ন সংযোগ থকা ডিজিটেল মঞ্চৰ প্ৰয়োজনিয়তাৰ প্ৰতি লক্ষ্য ৰাখি চলিত বৰ্ষৰ এপ্ৰিলৰ পৰা এই মঞ্চ কাৰ্যক্ষম কৰা হ'ব। ইয়াৰ ফলত খাদ্য সামগ্ৰী, ঔষধ, জীৱ-জন্তু তথা বন্য প্ৰাণীৰ বিভিন্ন সামগ্ৰী পৰিৱহনৰ প্ৰায় ৭০ শতাংশ সামৰি ল'ব।

বিমান খণ্ডত নিৰ্বিনিয়োজনৰ সীমা শুল্ক হ্ৰাস কৰাৰ বিষয়েও আজিৰ বাজেটত বিত্তমন্ত্ৰী শ্ৰী সীতাৰমনে উল্লেখ কৰে। বেটেৰীত ব্যৱহৃত লিথিয়াম চেলৰ ওপৰতো সীমা শুল্ক ৰেহাই দিয়া হৈছে। পাৰমাৱিক প্ৰকল্পৰ বিকাশ সাধনৰ বাবেও সীমা শুল্ক হ্ৰাস কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। ব্যক্তিগত ব্যৱহাৰৰ বাবে আমদানি কৰা সামগ্ৰীৰ ক্ষেত্ৰতো সীমা শুল্কৰ হাৰ হ্ৰাস কৰা আৰু জীৱন ধাৰণ সুচল কৰি তোলাৰ উদ্দেশ্যে এনে সামগ্ৰীক বুনিয়াদী সীমা শুল্ক আৰু আমদানি শুল্কৰ আওটাৰ বাহিৰত ৰখাৰ প্ৰস্তাৱ দিয়া হৈছে। বিদেশ ভ্ৰমণৰ পেকেজত উৎসতে কৰ্তন কৰা কৰৰ হাৰ ২ শতাংশ হ্ৰাস কৰাৰ প্ৰস্তাৱো আজি বাজেটত কৰা হৈছে।

বাজেটত উল্লেখ থকা অনুসৰি চলিত বছৰৰ পহিলা এপ্ৰিলৰ পৰা নতুন আয়কৰ আইন বলবৎ হ'ব।

ক্ৰীড়া খণ্ডই নিয়োগৰ সুবিধা সৃষ্টি আৰু দক্ষতা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে পৰৱৰ্তী দশকত ক্ৰীড়া খণ্ডলৈ অধিক পৰিৱৰ্তন অনাৰ লক্ষ্যৰে খেলো ইণ্ডিয়া অভিযান মুকলি কৰাৰ প্ৰস্তাৱ উত্থাপন কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে এইবেলি বাজেটত বিশেষকৈ মহিলাৰ নেতৃত্বৰ গ্ৰামীন উদ্যমিতাকে ধৰি পশুপালক তথা কৃষকসকলৰ প্ৰগতিৰ বাবে কেইবাটাও প্ৰস্তাৱ উত্থাপন কৰে। মীন খণ্ড শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে ৫০০ টা জলভাণ্ডাৰ তথা অমৃত সৰোবৰ বিকাশ কৰাৰ প্ৰস্তাৱ উত্থাপন কৰা হয়। পশুপালন খণ্ডত মান সম্পন্ন নিয়োগৰ সুবিধা সৃষ্টি কৰিবলৈ বিশেষ আঁচনি আৰু ১ কোটি কৃষককে ধৰি ৩ কোটি জনসাধাৰণক সমৰ্থন দিবলৈ নাৰিকলৰ সংবৰ্ধন সম্পৰ্কীয় বিশেষ আঁচনিৰ ঘোষণা কৰা হয়। ২০৩০ চনৰ পূৰ্বে দেশৰ কাজু বাদাম আৰু নাৰিকলৰ খেতিক বিশ্বৰ অন্যতম আগশাৰীৰ ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেও বিশেষ প্ৰস্তাৱ উত্থাপন কৰা হয়। ৰাজ্য চৰকাৰসমূহৰ সহযোগত দেশৰ চন্দন কাঠৰ পৰিবেশতন্ত্ৰৰ গৌৰৱ উদ্ধাৰ কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ উত্থাপন কৰা হয়। যুৱ ছাত্ৰৰ বাবে দক্ষতা ভিত্তিক জীৱিকাৰ সুযোগ সৃষ্টি কৰাৰ উদ্দেশ্যে ৩ খন নতুন সৰ্বভাৰতীয় আয়ুৰ্বেদিক প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰাৰ লগতে পৰৱৰ্তী ৫ বছৰত ১ লাখ স্বাস্থ্য খণ্ডৰ পেচাদাৰী লোকৰ সৃষ্টিৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰস্তাৱ উত্থাপন কৰা হয়। এইবেলি বাজেটত উত্থাপন কৰা অনুসৰি ৫ খন আঞ্চলিক চিকিৎসা বিশেষ কেন্দ্ৰ স্থাপন কৰাৰ বাবে ৰাজ্যসমূহক সাহায্য আগবঢ়োৱা হ'ব। স্বাস্থ্য খণ্ডত ডেৰ লাখ গৰাকী শুশ্ৰূষাকাৰীক প্ৰশিক্ষণ দিয়া হ'ব। জিলা চিকিৎসালয়সমূহত জৰুৰীকালিন আৰু ট্ৰমা কেন্দ্ৰ স্থাপনৰ জৰিয়তে ৫০ শতাংশ সামৰ্থ বৃদ্ধি কৰা হ'ব। চৰকাৰে ৰাঁচি আৰু তেজপুৰত ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য বিশ্ববিদ্যালয় স্থাপন কৰিব। বাজেটত দিব্যাংগসকলক সৱল কৰি তোলাৰ বাবেও বিশেষ প্ৰস্তাৱ উত্থাপন কৰা হৈছে। তেওঁলোকৰ বাবে মৰ্যাদা সম্পন্ন জীৱিকা মিশ্ৰিত কৰাৰ উদ্দেশ্যে দিব্যাংগ কৌশল যোজনা আৰু তেওঁলোকৰ বাবে কৃত্ৰিম অংগ প্ৰতংগ সংৰোপণত সূচলতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে দিব্যাংগ সাহাৰা যোজনা মুকলি কৰা হ'ব। বিত্তমন্ত্ৰীগৰাকীয়ে সামাজিক প্ৰয়োজনসমূহ পূৰ কৰাত কোনো আপোচ নকৰাকৈ বিত্তীয় প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিবলৈ চৰকাৰে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ দোঁহাৰে।

০০০০০০০০০

সমাপ্ত